**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৪১০**
**উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬**

বিষয় : পঞ্চায়ত প্ৰতিনিধিসকলৰ দৰমহা বৃদ্ধি

বিধায়ক : শ্ৰীবিকাশ শইকীয়া

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পঞ্চায়তৰ সীমা পুণৰ নিৰ্ধাৰণ কৰাৰ পিছত বৰ্তমান বহু জিলা পৰিষদ সমষ্টিৰ পাঁচৰ পৰা দহটা পঞ্চায়ত লৈ গঠন কৰা হৈছে। যাৰ বাবে জিলা পৰিষদৰ সদস্যসকলৰ নিজা জিলা পৰিষদ এলেকাত ঘূৰিবৰ বাবে যিমান পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হয় সিমান পৰিমাণৰ পাৰিতোষিক নাপায় । একেদৰে পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৱাৰ্ড সদস্যসকলো সামান্য পাৰিতোষিকত সেৱা আগবঢ়াবলগীয়া হৈছে। বিষয়টো চৰকাৰৰ অৱগত নে ?

(খ) পঞ্চায়ত প্ৰতিনিধিসকলৰ দৰমহা বৃদ্ধিৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? (সদনত জনাব)

(গ) স্বীকৃতিপ্ৰাপ্ত অভিযন্তা (Accredited Engineer) সকলৰ লগতে GRS, GPC সকলে বছৰ বছৰ ধৰি বিভিন্ন পঞ্চায়তত সেৱা আগবঢ়াই আহিছে আৰু তেওঁলোকৰ দৰমহাও বঢ়োৱা হোৱা নাই আৰু চাকৰিসমূহো ঠিকাভিত্তিতে আছে। চৰকাৰে তেওঁলোকৰ দৰমহা বৃদ্ধিৰ লগতে চাকৰিসমূহ নিয়মীয়াকৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

**<u>উত্তৰ</u>**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৰে উত্তৰ দিব:

(ক) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ সভাপতি, উপ সভাপতি আৰু সদস্যসকলৰ পাৰিতোষিক বঢ়োৱাৰ বিষয়টো পৰ্য্যবেক্ষণ আৰু পৰ্যালোচনা কৰি থকা হৈছে ।

(খ) পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাহিলী পাৰিতোষিক ২০২০ চনত অসম পঞ্চায়ত (প্ৰশাসনিক) (সংশোধনী) বিধি, ২০০২ অনুসৰি ইতিমধ্যে বৃদ্ধি কৰা হৈছে। বৰ্তমান পাৰিতোষিক বঢ়োৱাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ থকা নাই যদিও এই ক্ষেত্ৰত প্ৰয়োজন অনুসৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰা স্বীকৃতিপ্ৰাপ্ত অভিযন্তা (Accredited Engineer) সকলৰ লগতে GRS GPC সকলৰ দৰমহা সময়ে সময়ে বৃদ্ধি কৰি থকা হৈছে। যোৱা পাঁচ বছৰত বৃদ্ধি কৰা মাহিলী পাৰিতোষিক ৰ তথ্য তলত দিয়া হল-

| **Year – 2021 w.e.f January 2021** | | |
|---|---|---|
| **Slab** | **Remuneration per month** | **Enhancement** |
| Slab I | 25.000/- and Below | 10% |
| Slab 2 | 25,001 /- to 55,000 | 8% |
| Slab 3 | 55,001 /- and above | 5% |

| **Year – 2022 w.e.f June 2022** | |
|---|---|
| **Designation** | **Enhancement** |
| Gram Rozgar Sahayak | 20% |
| Gaon Panchayat Coordinator | |
| Computer Asstt. | |
| Account Assistant | |
| Accredited Engineer | 12% |
| Block Programme Manager | |

| | |
|---|---|
| Assistant District Programme PMAY-G & MGNREGA) | 6% |
| District Programme Manager RGSA | Flat increment of Rs, 1800/- |
| Additional District Programme (RGSA) | Flat increment of Rs, 1800/- |
| State Head Quarters (Except | Flat increment of Rs, 1800/- |

| **Year –2023 w.e.f August 2023** | | |
|---|---|---|
| **Slab** | **Remuneration per month** | **Enhancement** |
| Slab I | 30,000/- and Below | 10% |
| Slab 2 | 30,001 /- to 50,000 | 5% |
| Slab 3 | 50,001 /- to 75000 | 3% |
| Slab 4 | Rs 75001 & above | 1% |

| **Year – 2024 w.e.f July 2024** | | |
|---|---|---|
| **Slab** | **Remuneration per month** | **Enhancement** |
| Slab I | Upto Rs. 30,000/- | 10% |
| Slab 2 | 30,001 /- to 55,000 | 8% |
| Slab 3 | 55,001 /- and above | 5% |

| **Year – 2025 w.e.f July 2025** | |
|---|---|
| All employee | 10% |

এই সকল কৰ্মচাৰীৰ ভিতৰত যি সকল কৰ্মচাৰীয়ে ১০ বছৰ নিৰৱছিন্ন ভাৱে সেৱা আগবঢ়াই আহিছে আৰু যি সকলৰ বয়স ১ জানুৱাৰী ২০২৬ চনত ৪৫ বছৰ সম্পূৰ্ণ হৈছে সেই কৰ্মচাৰী সকলক ৬০ বছৰ বয়সলৈ চাকৰি সুনিশ্চিত কৰাৰ কেবিনেট সিদ্ধান্ত লোৱা হৈছে।

**(Replies have been uploaded in the website “www. cms.neva.gov.in”)**